প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

# খাদ্য সুৰক্ষা কাৰ্ড নথকা পৰিয়াললৈ এককালীন সাহায্য বিতৰণত অনিয়ম

# গাঁও পঞ্চায়ত সচিবক নিলম্বন

**গুৱাহাটী ৩০মে'ঃ** কৰিমগঞ্জ জিলাৰ দুল্লভচেৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত পাটিয়ালা গাঁও পঞ্চায়তৰ সচিব ৰফিজুল আলীক তৎকালীনভাৱে বলবৎ হোৱাকৈ নিলম্বন কৰা হৈছে। উল্লেখযোগ্য যে কোভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশজুৰি চলি থকা লক ডাউনৰ পৰিপ্ৰেক্ষিতত খাদ্য সুৰক্ষাৰ কাৰ্ড নথকা গ্ৰাম্য দুখীয়া পৰিয়ালসকলক আৰ্থিক সকাহ দিয়াৰ উদ্দেশ্যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত এনে প্ৰতিটো পৰিয়াললৈ ১০০০ টকাকৈ প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছিল। এই অৰ্থ সাহায্য প্ৰদানৰ বাবে পাটিয়ালা গাঁও পঞ্চায়তৰ হিতাধিকাৰী বাচনি কৰাত সচিব আলীয়ে খেলি-মেলি কৰাৰ তথ্য উদঘাটন হোৱা বুলি কৰিমগঞ্জ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই দিয়া প্ৰবিদেনৰ ভিত্তিত বিভাগৰ আয়ুক্ত হেমেন দাসে এই নিৰ্দেশ জাৰি কৰে।

আনহাতে কৰ্তব্যত গাফিলতি কৰাৰ অভিযোগত আয়ুক্তালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আনিছ আহমেদকো তৎকালীনভাৱে বলবৎ হোৱাকৈ নিলম্বন কৰা হয়।

*এম আৰ ডি/৩০-০৫-২০২০*